# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-05-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন। আজি সন্ধিয়া ৫ বজাত নিৰ্বাচনী প্ৰচাৰৰ অন্ত পৰিব।

২। ৰাজ্যখনত শেহতীয়াভাৱে ৰীমাল ঘূৰ্ণীবতাহৰ প্ৰভাৱত ধাৰাসাৰ বৰষুণৰ ফলত কেইবাখনো জিলা প্লাৱিত। নতুন দিল্লীৰ পৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ জিলা প্ৰশাসনৰ সৈতে পৰিস্থিতি সন্দৰ্ভত ভাৰ্চুৱেল বৈঠক।

৩। নেৰানেপেৰা বৰষুণত ডিমা হাচাও জিলাৰ ৰে'লপথত পানী জমা হোৱাৰ ফলত উত্তৰ-পূব ৰে'লৱেৰ কেইবাখনো ৰে'লৰ সেৱা বাতিল।

৪। অসম মাধ্যমিক শিক্ষা পৰিষদৰ আজি ছেৱা ছাৰ্ভিচ প'ৰ্টেল মুকলি। নৱম-দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ প্ৰতিটো গোট পৰীক্ষাৰ নম্বৰ প'ৰ্টেলত আপলোড কৰাটো বাধ্যতামূলক।

**আৰু**

৫। ভাৰতৰ অংকুশিতা বড়োৰ বিশ্ব অলিম্পিক বক্সিং কোৱালিফায়াৰ প্ৰতিযোগিতাৰ মহিলাৰ ৬০ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

০০০০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন। আজি সন্ধিয়া ৫ বজাত নিৰ্বাচনী প্ৰচাৰৰ অন্ত পৰিব। দেশৰ ৭ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭ টা সমষ্টিত এই পৰ্যায়ত পহিলা জুনত ভোটগ্ৰহণ কৰা হ'ব। অন্তিম পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া উত্তৰ প্ৰদেশৰ বাৰাণসী সমষ্টিৰ পৰা বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত শাসক-বিৰোধী উভয় দলৰ ৰাজনৈতিক নেতাসকলে প্ৰচাৰ অব্যাহত ৰাখিছে।

আকাশবাণীৰ সংবাদদাতাই জনোৱা অনুসৰি প্ৰতিৰক্ষা মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা ৰাজনাথ সিঙে আজি উত্তৰ প্ৰদেশৰ কুশীনগৰ, ৰবাৰ্টছগঞ্জ আৰু চান্দৌলী লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাব।

একেদৰে মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱে কুশীনগৰ আৰু ছোনভদ্ৰা সমষ্টিত ৰোড শ্ব'ত ভাগ ল'ব। ইপিনে, সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে আজি মহাৰাজগঞ্জ আৰু ঘোছি সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

ইপিনে, জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি ঝাৰখণ্ডৰ ডুমকাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ কথা আছে। ৰাজ্যখনৰ বিজেপিৰ মুৰব্বী বাবুলাল মুৰাণ্ডিয়ে গোদ্দা আৰু চাহিবগঞ্জত, আৰু মুখ্যমন্ত্ৰী চম্পাই চোৰেণে গোদ্দা, ডুমকা আৰু চাহিবগঞ্জত নিৰ্বাচনী সভাত ভাগ ল'ব।

প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোডীয়ে কালি ওড়িশাত নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীমোডীয়ে ময়ুৰগঞ্জ লোকসভা সমষ্টিৰ বড়ীপদাত, বালাছোৰ লোকসভা সমষ্টিৰ ৰেমু নাথ আৰু কেন্দ্ৰপাৰা লোকসভা সমষ্টিৰ বাৰুৱাত তিনিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে পশ্চিম বংগ, ঝাৰখণ্ড আৰু ওড়িশাৰ ভোটদাতাসকলৰ আনন্দ আৰু উৎসাহ প্ৰত্যক্ষ কৰি তেওঁ কেন্দ্ৰত তৃতীয়বাৰৰ বাবে এখন মজবুত মোডী চৰকাৰ গঠন হ'ব বুলি নিশ্চিত হৈছে।

উত্তৰ প্ৰদেশতো নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত জোৰদাৰ প্ৰচাৰ অভিযান অব্যাহত আছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কালি ৰাজ্যখনত ৪খন নিৰ্বাচনী প্ৰচাৰ সভা আৰু এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। মহাৰাজগঞ্জত প্ৰথমখন সভাত ভাগ লৈ শ্ৰীশ্বাহে কয় যে বিজেপিয়ে ইতিমধ্যে হৈ যোৱা নিৰ্বাচনৰ প্ৰথম পাঁচটা পৰ্যায়তে ৩০০ খনতকৈ অধিক আসন লাভ কৰিব আৰু ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনৰ পাছত এই সংখ্যা চাৰিশৰো অধিক হোৱাৰ সম্ভাৱনা আছে। দেওৰীয়াত

আন এখন সভাত ভাগ লৈ তেওঁ পাক অধিকৃত কাশ্মীৰ ভাৰতৰো অবিচ্ছেদ্য অংগ বুলি মন্তব্য কৰে। তেওঁ কয় যে কেন্দ্ৰত মোডী চৰকাৰ থকা বাবেই সাম্প্ৰতিক সময়ত কোনো সন্ত্ৰাসবাদীয়ে দেশত কোনোধৰণৰ ৰাষ্ট্ৰবিৰোধী কাৰ্য কৰিবলৈ সাহস নকৰে। তেওঁ বাল্লিয়া আৰু ছনভদ্ৰাতো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিয়লিৰ ভাগলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ঘাজিপুৰত এটা ৰোড শ্ব'ত ভাগ লয়।

কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই কালি বালাছোৰত এখন জনসভা সম্বোধন কৰে। সভাত তেওঁ প্ৰধানমন্ত্ৰী শ্ৰীমোডীক দুখীয়া বিৰোধী তথা কৃষক বিৰোধী বুলি উল্লেখ কৰে। তেওঁ কয় যে আই এন ডি আই মিত্ৰজোঁটে কেন্দ্ৰত পৰৱৰ্ত্তী চৰকাৰ গঠন কৰিব আৰু দুমাহৰ ভিতৰতে ৩০ লাখ নিবনুৱাক চাকৰিত নিয়োগ কৰিব।

ইপিনে, জ্যেষ্ঠ বিজেপি নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কালি কুশীনগৰত এখন নিৰ্বাচনী সভাত ভাষণ দি কয় যে কেৱল মাত্ৰ বিজেপিহে দেশৰ সীমান্তক সুৰক্ষিত কৰিবলৈ সক্ষম। তেওঁ পাছত দেওৰীয়াতো নিৰ্বাচনী প্ৰচাৰ চলায় আৰু গোড়খপুৰত এটা মেগা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

আনহাতে, সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে কালি কয় যে আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে অগ্নিবীৰ আঁচনি বাতিল কৰা হ'ব।

বিহাৰতো নিৰ্বাচন হ'বলগীয়া ৮টা লোকসভা সমষ্টিত প্ৰচাৰ অভিযান অব্যাহত আছে। বিহাৰ বিজেপিৰ অধ্যক্ষ তথা ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধাৰীয়ে কালি পাতলিপুত্ৰ সংসদীয় সমষ্টিৰ দীঘাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। তেওঁ ৰাজ্যখন পিচ পৰি থকাৰ বাবে আৰ জে ডি আৰু কংগ্ৰেছক জগৰীয়া কৰে। নেতাগৰাকীয়ে নালন্দা, জেহানাবাদ আৰু কাৰাকাট সংসদীয় সমষ্টিতো প্ৰচাৰ সভাত ভাগ লয়। আৰ জে ডিৰ মুৰব্বী লালু প্ৰসাদেও পাতলিপুত্ৰ সমষ্টিৰ বিভিন্ন অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলায়। সমষ্টিটোৰ ফুলৱাৰী শ্বৰিফত এখন জনসভাত সম্বোধন কৰি দলটোৰ নেতা তেজস্বী প্ৰসাদ যাদৱে নিৰ্বাচনত আই এন ডি আই মিত্ৰজোঁটে ৩০০খনতকৈ অধিক আসন লাভ কৰিব বুলি দাবী কৰে।

oooooooo

ৰাজ্যখনত শেহতীয়াভাৱে ৰীমাল ঘূৰ্ণিবতাহৰ ফলত হোৱা ধাৰাষাৰ বৰষুণে কেইবাখনো জিলাৰ গ্ৰামাঞ্চল আৰু নগৰাঞ্চল প্লাৱিত কৰিছে। নগাঁও, হাইলাকান্দি, পশ্চিম কাৰ্বি আংলং, কৰিমগঞ্জ, কাছাৰ, হোজাই, গোলাঘাট, কাৰ্বি আংলং আদি জিলাৰ বহুকেইখন গাওঁ বানত ক্ষতিগ্ৰস্ত হৈছে। বানে কেইবাটাও পথ প্লাৱিত কৰাৰ ফলত কোনো কোনো অঞ্চলত পথ যোগাযোগ ব্যাহত হৈ আছে।

নগাঁও জিলাত কপিলী নৈৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন অঞ্চল প্লাৱিত হোৱাৰ আশংকা কৰি জিলা প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা আয়ুক্তই এটা নিৰ্দেশনাযোগে কামপুৰ ৰাজহ চক্ৰৰ ৩৯ খন বিদ্যালয় আজি দিনটোৰ বাবে বন্ধ ঘোষণা কৰিছে।

কৰিমগঞ্জ জিলাৰ কুছিয়াৰা, লংগাই আৰু চিমলা নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ বাবে প্ৰশাসনে সতৰ্কতা গ্ৰহণ কৰিছে। বৰাক নৈৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ আছে।

মৰিগাওঁ জিলাতো সম্ভাব্য বান পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে স্থাপন কৰা আশ্ৰয় শিবিৰ আৰু বিভিন্ন বিভাগৰ প্ৰস্তুতি সন্দৰ্ভত সতৰ্কতা গ্ৰহণ কৰা হৈছে।

ooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি শেহতীয়া ঘূৰ্ণীবতাহ ৰীমালত ৰাজ্যখনত হোৱা ক্ষয়-ক্ষতিৰ বুজ লয়। নতুন দিল্লীৰ অসম ভৱনৰ পৰা ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটা, এ পি ডি চি এল কৰ্তৃপক্ষ, ৰাষ্ট্ৰীয় ঘাইপথ-দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ তথা ক্ষতিগ্ৰস্ত জিলাসমূহৰ আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং যোগে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলক ক্ষতিগ্ৰস্ত পৰিয়ালক যাৱতীয় সাহায্য প্ৰদানৰ লগতে উদ্ধাৰ অভিযান খৰতকীয়া কৰাৰ নিৰ্দেশ দিয়ে। তদুপৰি কুৰিশু বান্ধৰ পানী এৰাৰ সন্দৰ্ভত ভূটানৰ সৈতে বৰপেটা, চিৰাং আৰু বাক্সা জিলাৰ আয়ুক্তক যোগাযোগ ৰখাৰ নিৰ্দেশ দিয়ে। যাতে এই বান্ধৰ পানী এৰাৰ পূৰ্বেই জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

oooooooo

ৰীমাল ঘূৰ্ণিবতাহৰ প্ৰভাৱত অসম তথা উত্তৰ-পূবৰ বিভিন্ন অঞ্চলত ভালেমান ক্ষয়-ক্ষতি হোৱাৰ লগতে ডিমা হাচাও জিলাত ৰে'ল চলাচল ব্যাহত হৈছে। জিলাখনৰ পাহাৰীয়া অঞ্চলত নেৰানেপেৰা বৰষুণৰ ফলত ৰে'লপথ আৰু সুৰংগসমূহত পানী জমা হৈছে। ইয়াৰ ফলস্বৰূপে উত্তৰ-পূব ৰে'লৱে কিছুসংখ্যক ৰে'লৰ সেৱা বাতিল কৰাৰ লগতে কেইখন মান

আংশিকভাৱে বাতিল নাইবা পুনৰ সময় নিৰ্ধাৰণ কৰিবলগীয়া হয়। নিউ হাফলঙৰ পৰা বান্দৰখাললৈ ৰে'ল পথৰ ক্ষয়-ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি কেইবাখনো ৰে'লৰ যাত্ৰা বাতিল কৰাৰ লগতে আন কেইখনমান ৰে'লৰ যাত্ৰা আংশিকভাৱে বাতিল কৰা হৈছে।

ooooo

অসম মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ ছেবাই আজি ছেবা ছাৰ্ভিচ প'ৰ্টেল মুকলি কৰিব। সকলো বিদ্যালয়ে নৱম আৰু দশম শ্ৰেণীত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ প্ৰতিটো গোট পৰীক্ষাৰ নম্বৰ এই প'ৰ্টেলত আপলোড কৰাটো বাধ্যতামূলক। এই সন্দৰ্ভত ছেবাৰ সচিবে স্বাক্ষৰ কৰা জাননীখনত নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ প্ৰথম গোট পৰীক্ষা, ছমহীয়া পৰীক্ষা, দ্বিতীয় গোট পৰীক্ষা আৰু বছৰেকীয়া পৰীক্ষাৰ নম্বৰ ছেবা ছাৰ্ভিচ প'ৰ্টেলত আপলোড কৰিবলৈ প্ৰধান শিক্ষকসকললৈ নিৰ্দেশনা দিয়া হৈছে। নৱম শ্ৰেণীৰ নম্বৰসমূহ অন্তৰ্ভুক্তিৰ বাবে প'ৰ্টেলটো অহা ৩০ জুনলৈ মুকলি থাকিব। আনহাতে দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে নিৰ্দেশনাটোত কোৱা হৈছে যে, নৱম শ্ৰেণীৰ পৰীক্ষাত বিদ্যালয়ে উত্তীৰ্ণ বুলি ঘোষণা কৰা ছাত্ৰ-ছাত্ৰীকহে দশম শ্ৰেণীত অধ্যয়নৰ অনুমতি দিয়া হ'ব। উল্লেখ্য যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ নৱম শ্ৰেণীত প্ৰাপ্ত সকলো নম্বৰ দাখিল কৰাটো বাধ্যতামূলক। অন্যথা শিক্ষাৰ্থীসকলে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণ কৰিব নোৱাৰিব।

ooooooooo

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউটিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কন্যাকুমাৰীৰ বিবেকানন্দ ৰ'ক মেম'ৰিয়েলত ৪৫ ঘণ্টীয়া ধ্যানত বহিব। ইতিমধ্যে প্ৰধানমন্ত্ৰীগৰাকীৰ নিৰাপত্তাৰ বাবে ২ হাজাৰ নিৰাপত্তাৰক্ষী মোতায়েন কৰাৰ লগতে আনুসংগিক প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। শ্ৰীমোদীয়ে আজি সন্ধিয়াৰ পৰা ১ জুনৰ বিয়লি ৩ বজালৈ ধ্যানত বহিব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে। উল্লেখ্য যে, প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০১৯ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ পাছতো কেদাৰনাথৰ গুহাত ধ্যানত বহিছিল।

oooooooo

পাকিস্তানৰ কাৰাগাৰত নাবালক পুত্ৰসহ ডেৰ বছৰে বন্দী হৈ থকা নগাঁৱৰ ৰাহিদা বেগম অৱশেষত কালি স্বদেশত উপস্থিত হ'ল। দিল্লীৰ আৰু সীমান্ত অঞ্চল পঞ্জাবত আইনী কামকাজ সম্পন্ন কৰাৰ পাছতে তেওঁ দুই-এদিনতে নগাঁৱৰ স্বগৃহত উপস্থিত হ'ব। মহিলাগৰাকীক ১১ বছৰীয়া পুত্ৰসহ পঞ্জাবৰ ৰাঘা সীমান্তত পাকিস্তান চৰকাৰে ভাৰতীয় কৰ্তৃপক্ষক হস্তান্তৰ কৰিছিল। উল্লেখ্য যে ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপতে ৰাহিদা বেগমে স্বদেশলৈ ঘূৰি আহিবলৈ সক্ষম হোৱা বুলি তেওঁৰ মাতৃয়ে জানিবলৈ দিছে।

oooooooo

অহা ২২ জুনৰ পৰা শক্তিপীঠ কামাখ্যাত অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। কামাখ্যা মন্দিৰৰ সৰু দলৈ হিমাদ্ৰী শৰ্মাই আকাশবাণীৰ সংবাদদাতাক জনোৱা অনুসৰি ২২ জুনৰ পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। ইয়াৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ কৰা হ'ব। অম্বুবাচীৰ সময়ছোৱাত প্ৰতিবছৰে নীলাচল পাহাৰৰ বুকুত অৱস্থিত কামাখ্যা মন্দিৰত দেশ-বিদেশৰ লাখ লাখ ভক্তৰ সমাগম হয়। এইবাৰো এই মেলা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ইতিমধ্যে কামাখ্যা দেৱালয় অম্বুবাচী মেলা পৰিচালনা সমিতি গঠন কৰা হৈছে। অহা ২৬ জুনত অম্বুবাচীৰ নিবৃত্তি হোৱাৰ পাছতেই দেৱীক স্নান কৰোৱাৰ পিছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰি দিয়া হ'ব।

oooooooo

অহা ৪ জুনত দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ ১৪টা সমষ্টিত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনসমূহে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। বিভিন্ন জিলাত ভোটগণনা কাৰ্যৰ বাবে নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন হৈছে।

মাজুলীত কালি ভোটগণনাত অংশ ল'বলগীয়া ৩৬ গৰাকী গণনা তত্বাৱধায়ক আৰু সহকাৰী গাণনিকৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত ৬০ গৰাকী ভোটগণনাকাৰী বিষয়াক জিলা প্ৰশাসনৰ তৰফৰ পৰা দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

লখিমপুৰ লোকসভা সমষ্টিৰ অন্তৰ্গত শদিয়া বিধানসভা সমষ্টিত ভোটগণনাৰ বাবে নিয়োজিত ৮৬ গৰাকী বিষয়া-কৰ্মচাৰীক কালি ভোট গণনাৰ প্ৰশিক্ষণ দিয়া হয়।

ইফালে, ৰাজ্যিক নিৰ্বাচন আয়োগেও ৪ জুনৰ ভোটগণনাৰ বাবে নিৰাপত্তা ব্যৱস্থাকে ধৰি সকলো প্ৰস্তুতি গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্টসকলক নিৰ্দেশ দিছে। ৰাজ্যখনৰ ১৪টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা ১৪৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য বন্দী হৈ থকা ইভিএমসমূহ ৫০টা ষ্ট্ৰং ৰুমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। ষ্ট্ৰং ৰুমসমূহত তিনিতৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে ইয়াৰ প্ৰৱেশ আৰু প্ৰস্থান দ্বাৰ চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে। উল্লেখযোগ্য যে তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত ছগৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ৫টা সমষ্টি কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। আনহাতে দ্বিতীয় পৰ্যায়ত ৫টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত ৬১ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

০০০০০০০০

অসম আন্দোলনৰ অগ্ৰণী নেতা তথা বৰপেটা পৌৰ সভাৰ প্ৰাক্তন পৌৰপতি মুকুল দাসৰ কালি নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা দাসৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৬৫ বছৰ। অসম আন্দোলনৰ সময়ত আৰক্ষীৰ দ্বাৰা নিৰ্যাতিত হৈ ঘূণীয়া হোৱা দাসে পৰৱৰ্তী সময়ত সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনত সক্ৰিয় ভূমিকা লৈ আহিছিল। বৰপেটা চহৰৰ পালাংদিহাটীৰ বাসিন্দা দাসে সদৌ অসম ছাত্ৰ সন্থা ত্যাগ কৰাৰ পাছত অসম গণ পৰিষদ দলত যোগদান কৰিছিল।

০০০০০০০০০

ভাৰতৰ অংকুশিতা বড়ো থাইলেণ্ডৰ বেংককত চলি থকা বিশ্ব অলিম্পিক বক্সিং কোৱালিফায়াৰ প্ৰতিযোগিতাৰ মহিলাৰ ৬০ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে কালি কাজাখস্তানৰ প্ৰতিদ্বন্দ্বীক ৮-১ ফলাফলত পৰাস্ত কৰে। প্ৰতিযোগিতাত পুৰুষৰ ৭১ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ নিশান্ত দেৱেও থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বীক ৫-০ ফলাফলত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। একেদৰে ভাৰতৰ অৰুন্ধতী চৌধাৰীয়েও মহিলাৰ ৬৬ কিলোগ্ৰামৰ ওজন শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অৱশ্যে ৯২ কিলোগ্ৰামতকৈ অধিক ওজন শাখাত ভাৰতৰ নৰেন্দৰ বেৰৱাল পৰাজিত হৈছে।

০০০০০০

অসমৰ ভূ-গৰ্ভৰ পানীত মাৰাত্মক আৰ্ছেনিকৰ উপস্থিতি ধৰা পৰাৰ বাতৰিটোক দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত বিস্তাৰিতভাৱে প্ৰকাশ কৰিছে। বাতৰিটোত উল্লেখ কৰা অনুসৰি ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে দিয়া এটা নিৰ্দেশৰ ভিত্তিত কেন্দ্ৰীয় ভূ-জল পৰিষদে কৰা পৰীক্ষাত অসমৰ পানীৰে ২১টা নমুনাত মাত্ৰাধিক পৰিমাণৰ আৰ্ছেনিক ধৰা পৰিছে। এই বিষয়ক ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণৰ প্ৰতিবেদন দাখিল কৰিব পৰা নাই বুলি বাতৰিটোত প্ৰকাশ কৰিছে।

লোকসভা নিৰ্বাচনৰ মাজতে সম্পত্তি বিক্ৰীৰে কেন্দ্ৰীয় চৰকাৰে ২০ হাজাৰ কোটি আহৰণ কৰা লক্ষ্য লোৱা বাতৰিটোক অসমীয়া প্ৰতিদিন কাকতে **বি এছ এন এল-এম টি এন এলৰ ৬০০ টুকুৰা ভূমি-ভৱন কৰিব বিক্ৰী** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কোম্পানী দুটাক পুনৰ উজ্জীৱিত কৰাৰ ৰূপৰেখা তৈয়াৰ কৰাৰ বাবে মাৰ্কিন কোম্পানীক ১৩২ কোটিৰ ঠিকা আৱণ্টন কৰা হৈছে বুলি বাতৰিটোত প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে নিপকোৰ পানীৰ ঢলে ৪জন লোকক উটুৱাই নিয়াৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰঙানদীত প্ৰকল্পৰ পানী হঠাৎ এৰি দিয়াৰ ফলত লখিমপুৰৰ নামনিত বিভিষিকা পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি বাতৰিটোক প্ৰকাশ কৰা হৈছে। পানীত উটি যোৱা ৪ জন লোকৰ ভিতৰত এজন বৰ্তমানো সন্ধানহীন। চাইৰেনৰ ব্যৱস্থা কৰিবলৈ ৰাইজে বহুবাৰ দাবী জনাই অহাৰ পাছতো প্ৰকল্প কৰ্তৃপক্ষই কাণসাৰ নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে।

ৰাজ্যৰ বিভিন্ন ঠাইক বিধবংসী ধুমুহাৰ ক্ষতিসাধনৰ বাতৰি আমাৰ কাকতে প্ৰথম পৃষ্ঠাত বিষদভাৱে প্ৰকাশ কৰিছে। সংহাৰী ধুমুহাই ৰাজ্যত মঙলবাৰ পৰ্যন্ত ৪জন লোকৰ প্ৰাণ লোৱাৰ লগতে বহুতো লোক আহতে হৈছে আৰু জনসাধাৰণৰ বিস্তৰ ক্ষতিসাধন হোৱা তথ্য বাতৰিটোত স্থান দিছে।

সৰ্বকালৰ অভিলেখ ভংগৰে দিল্লীৰ তাপমাত্ৰাই ৫২ দশমিক ৯ ডিগ্ৰী চেলছিয়াছ স্পৰ্শ কৰা বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজধানী মহানগৰখনৰ মুংগেশপুৰ বতৰ বিজ্ঞান কেন্দ্ৰত বুধবাৰে ৰেক'ৰ্ড কৰা হয় অভিলেখ সৃষ্টিকাৰী এই তাপমাত্ৰা। কাকতখনত উল্লেখ কৰা মতে তাপমাত্ৰাই অভিলেখ গঢ়া দিনটোত ৰাজধানী চহৰখনত বিদ্যুতৰ চাহিদাও যথেষ্ট বৃদ্ধি হয়।

অসমক **ট্ৰেনজিট** শিবিৰ কৰি বাংলাদেশী আৰু ম্যানমাৰৰ ৰহিংগা নাগৰিকক ভাৰতৰ বিভিন্ন ৰাজ্যত সংস্থাপিত কৰা মানৱ সৰবৰাহকাৰী চক্ৰৰ মুখ্য অভিযুক্ত জলিল মিঞাক ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাই গ্ৰেপ্তাৰ কৰা বাতৰিটোক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। গ্ৰেপ্তাৰ হোৱা জলিল মিঞা সন্ধান দিওঁতালৈ ১ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল এন আই এৰ গুৱাহাটীস্থিত কাৰ্যালয়ে।

নিয়মীয়া বাৰ্তা কাকতখনে কুৰিশু বান্ধৰ পানী এৰাৰ সম্পৰ্কত ভূটানেৰে যোগাযোগ ৰাখিবলৈ বৰপেটা, চিৰাং, বাক্সাৰ আয়ুক্তক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়া বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসম মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ ছেবাই আজি ছেবা ছাৰ্ভিচ প'ৰ্টেল মুকলি কৰিব। নৱম আৰু দশম শ্ৰেণীত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ প্ৰতিটো গোট পৰীক্ষাৰ নম্বৰ এই প'ৰ্টেলত আপলোড কৰাটো বাধ্যতামূলক হ'ব বুলি প্ৰকাশ কৰা জাননীৰ বাতৰি দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে পাকিস্তানৰ কাৰাগাৰত নাবালক পুত্ৰসহ ডেৰ বছৰে বন্দী হৈ থকা নগাঁৱৰ ৰাহিদা বেগম অৱশেষত কালি স্বদেশত উপস্থিত হোৱা বাতৰিটোক প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ২২ জুনৰ পৰা কামাখ্যাত অনুষ্ঠিত হ'ব অম্বুবাচী মেলা, ৰাজ্যত ৫ দশমিক ৬ প্ৰাব্যলৰ ভূমিকম্পৰ জোকাৰণি, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰিকল্পনাৰে ককা দেউতা নাতি আৰু হাতী ছবিৰ ছিকুৰেল নিৰ্মাণ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

**সমাপ্ত**